**জনসংযোগ, অসম** **চি এম পি আৰ চেল, প্ৰেছ বাৰ্তা ঃ ২০৭**

## গুণোৎসৱৰ বাবে অসম চৰকাৰক অভিনন্দন জনালে প্ৰধান মন্ত্ৰীয়ে

**দিশপুৰ, ৫ এপ্ৰিলঃ** ৰাজ্যখনৰ প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নীতকৰণৰ বাবে আজিৰে পৰা ৰাজ্যখনত আৰম্ভ কৰা গুণোৎসৱৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰক অভিনন্দন জ্ঞাপন কৰিছে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। প্ৰধান মন্ত্ৰীয়ে টুইটাৰৰ যোগে ৰাজ্য চৰকাৰক এই পদক্ষেপৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী মোডীয়ে কৈছে যে চৰকাৰী বিদ্যালয়সমূহত গুণগত মানদণ্ডৰ শিক্ষণ আৰু শিকন উন্নীতকৰণেৰে ৰাজ্যখনৰ শৈক্ষিক খণ্ডত ইয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। প্ৰধানমন্ত্ৰী মোডীয়ে টুইটাৰৰ জৰিয়তে কয় যে গুণগত মানদণ্ডৰ শিক্ষাৰ মাপাংকৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত গুণোৎসৱ হ'ল এক গুৰুত্বপূৰ্ণ পদক্ষেপ। এই গুণোৎসৱৰ জৰিয়তে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয়ে বহুলাংশে লাভান্বিত হ'ব। সমগ্ৰ ৰাজ্যখনতে গুণোৎসৱে শৈক্ষিক মানদণ্ড উন্নীতকৰণ কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে কয়।

উল্লেখ্য যে আজিৰে পৰা ৰাজ্য চৰকাৰৰ দ্বাৰা ৰাজ্যখনৰ প্ৰাথমিক বিদ্যালয়সমূহত গুণোৎসৱ অভিযান আৰম্ভ হৈছে। ইয়াৰ জৰিয়তে বিদ্যালয়ত শিক্ষাৰ্থীৰ উপস্থিতি, শিক্ষণ পদ্ধতিৰ মূল্যায়ন, বিদ্যালয়ত শৈক্ষিক সমলৰ পৰ্যাপ্ততা তথা ইয়াৰ প্ৰয়োগ, শিক্ষক-শিক্ষয়ত্ৰীসকলৰ দায়বদ্ধতা, বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ মূল্যায়ন, বিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচীত সমাজৰ অংশ গ্ৰহণ ইত্যাদি সমূহৰ মূল্যায়ন কৰা হ'ব। এই গুণোৎসৱ কাৰ্যসূচীত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী, মন্ত্ৰী, বিধায়ককে ধৰি শীৰ্ষস্থানীয় বিষায়াসকলে বিদ্যালয়সমূহ পৰিদৰ্শন কৰিব আৰু বাহ্যিক মূল্যায়নকাৰীৰ ৰূপত অৱতীৰ্ণ হ'ব।

স্বাঃডেঃ / বঃভাঃ / পুঃডেঃ
৫/৪/২০১৭